জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ১৯৪/২০২১**

# বিশ্ব মানৱ সৰবৰাহ বিৰোধী দিৱস উদ্‌যাপনৰ সৈতে সংগতি ৰাখি ছিকিমত মানৱ সৰবৰাহকাৰীৰ কৱলৰ পৰা উদ্ধাৰ কৰা শিশুসকলৰ সৈতে মুখ্যমন্ত্ৰী ড° শৰ্মাৰ অন্তৰংগ মত-বিনিময়

## উদ্ধাৰ কৰা শিশুসকলৰ ভৱিষ্যত সুৰক্ষিত কৰাৰ বাবে তেওঁলোকক অহা তিনি দিনৰ ভিতৰত বিভিন্ন হোষ্টেললৈ লৈ যোৱাৰ পদক্ষেপ লোৱা হৈছে ঃ মুখ্যমন্ত্ৰী

## কোকৰাঝাৰত বিশিষ্ট শিক্ষাবিদ, বুদ্ধিজীৱীৰ সৈতে বিটিআৰৰ সৰ্বাংগীন উত্তৰণ সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ মত-বিনিময়

**দিছপুৰ, ৩০ জুলাই ঃ** বিশ্ব মানৱ সৰবৰাহ বিৰোধী দিৱসৰ লগত সংগতি ৰাখি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কোকৰাঝাৰস্থিত কেন্দ্ৰীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ প্ৰেক্ষাগৃহত আয়োজিত এক অনুষ্ঠানত অংশগ্ৰহণ কৰি প্ৰায় এসপ্তাহপূৰ্বে চিৰাং আৰক্ষীয়ে ছিকিমত মানৱ সৰবৰাহকাৰীৰ কৱলৰ পৰা মুক্ত কৰি অনা ৪০ গৰাকী শিশু আৰু ২ গৰাকী যুৱতীৰ সৈতে মত-বিনিময় কৰে। এই মত-বিনিময় অনুষ্ঠানত শিশুসকলক উদ্দেশ্যি প্ৰদান কৰা বক্তব্যত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে সমাজ কল্যাণ বিভাগ আৰু শিশু কল্যাণ সমিতিৰ সৈতে আলোচনা কৰি অহা তিনিদিনৰ ভিতৰত এই শিশুসকলক বিভিন্ন হোষ্টেললৈ লৈ যোৱা হ'ব আৰু তেওঁলোকৰ শৈক্ষিক দিশৰ উত্তৰণৰ দিশত চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব। যিসকল শিশুৱে পিতৃ-মাতৃৰ সৈতে থাকি শিক্ষাগ্ৰহণ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰে তেওঁলোকৰ শৈক্ষিক দিশটো আগবঢ়াই নিয়াৰ বাবেও চৰকাৰে পদক্ষেপ ল'ব।

আজিৰ দিনটোত সমগ্ৰ বিশ্বই মানৱ সৰবৰাহ বিৰোধী দিৱস হিচাপে পালন কৰি মানৱ সৰবৰাহৰ ভয়াৱহতাৰ বিষয়ে জনসাধাৰণক সজাগ-সচেতন কৰি সমাজৰ এই নেতিবাচক বিষয়টো নিৰাময়ৰ দিশত প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে দৰিদ্ৰতাৰ সুযোগ লৈ এচাম ন্যস্তস্বাৰ্থ জড়িত মহলে প্ৰলোভনেৰে কণ কণ ল'ৰা-ছোৱালী তথা কিশোৰ-কিশোৰীক ৰাজ্যখনৰ বাহিৰলৈ নি বিভিন্ন অপকৰ্মত নিয়োজিত কৰে। পূৰ্বৰে পৰা এনেধৰণৰ কু-কাৰ্য চলি আছিল যদিও বৰ্তমানৰ ৰাজ্য চৰকাৰখনে শাসনভাৰ লোৱাৰে পৰা বিগত দুটা মাহত সমাজৰ বৰবিহসদৃশ ড্ৰাগ্‌ছ আৰু মানৱ সৰবৰাহৰ

বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰি বহু ক্ষেত্ৰত সফলতা লাভ কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই ক্ষেত্ৰত চিৰাং আৰক্ষীয়ে লাভ কৰা সফলতাৰ মুখ্যমন্ত্ৰীয়ে বিশেষভাৱে শলাগ লয়।

চিৰাঙৰ ভাৰত-ভূটান সীমান্তৰ পৰা সৰ্বমুঠ ৮০ গৰাকী শিশুক বিভিন্ন প্ৰলোভনেৰে বাহিৰলৈ নিয়া হৈছিল বুলি উল্লেখ কৰি ইয়াৰে ৪২ গৰাকীক সম্প্ৰতি ঘূৰাই অনা হৈছে যদিও বাকী থকা শিশুসকলৰ সন্ধান বিচাৰি অসম আৰক্ষীয়ে দৃঢ়তাৰে প্ৰয়াস চলাই আছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ইয়াৰ ভিতৰত ১০ গৰাকী শিশুৰ সন্ধান লাভ কৰা হৈছে বুলিও তেওঁ কয়। ড্ৰাগ্‌ছ আৰু মানৱ সৰবৰাহৰ দৰে দুষ্কাৰ্যৰ বিৰুদ্ধে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে চলাই অহা সংগ্ৰাম ভৱিষ্যতে আৰু তীব্ৰতৰ কৰি তুলি এই দুষ্কাৰ্য নিৰ্মূল কৰাৰ বাবে চৰকাৰে নিষ্ঠাৰে কাম কৰি যাব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। আশাকৰ্মী আৰু অংগনৱাড়ী কৰ্মীৰ দ্বাৰা ৰাজ্যখনৰ গ্ৰামাঞ্চলত জৰীপ চলাই বৰ্তমানে সন্ধানহীন হৈ থকা শিশুসকলৰ এক প্ৰকৃত তথ্য ৰাজ্য চৰকাৰে লাভ কৰাৰ দিশত দৃঢ় পদক্ষেপ ল'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

অনুষ্ঠানত মন্তব্য প্ৰদান কৰি বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে কয় যে বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° শৰ্মাই ড্ৰাগ্‌ছ আসক্তসকলৰ লগতে সৰবৰাহকাৰীৰ পৰা মুক্ত হোৱা শিশুসকলৰ পুনৰ সংস্থাপনৰ দিশটোৰ ওপৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰি কাৰ্যব্যৱস্থা গ্ৰহণ কৰিছে। শিশুৰ শিক্ষাৰ অধিকাৰ তথা সকলো অধিকাৰ সুৰক্ষিত কৰাৰ বাবে বিটিচিৰ চৰকাৰে অসম চৰকাৰৰ সৈতে সন্মিলিতভাৱে কাম কৰি যাব বুলিও তেওঁ কয়।

আজিৰ এই কাৰ্যসূচীত কোকৰাঝাৰ (পূব) সমষ্টিৰ বিধায়ক লৰেঞ্চ ইছলাৰী, বিটিআৰৰ কেইবাগৰাকীও কাৰ্যবাহী সদস্য, বিশেষ আৰক্ষী সঞ্চালকপ্ৰধান তথা বিটিচিৰ তত্ত্বাৱধায়ক আইজিপি ড° এল আৰ বিষ্ণয়, কোকৰাঝাৰ জিলাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষককে ধৰি উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

আনহাতে কোকৰাঝাৰস্থিত কেন্দ্ৰীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ পুথিভঁৰালত আয়োজিত আন এক অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° শৰ্মাই বিটিআৰৰ শৈক্ষিক, সামাজিক, সাংস্কৃতিক তথা অৰ্থনৈতিক উত্তৰণ সন্দৰ্ভত বহুকেইগৰাকী শিক্ষাবিদ, বুদ্ধিজীৱী, পণ্ডিত আৰু বিশিষ্ট নাগৰিকৰ সৈতে মত বিনিময় কৰে। অত্যন্ত সৌহাৰ্দ্যমূলক পৰিৱেশত অনুষ্ঠিত হোৱা এই মত বিনিময়ত অংশগ্ৰহণকাৰী বিশিষ্ট ব্যক্তিসকলে মুখ্যমন্ত্ৰী ড° শৰ্মাই বিটিআৰৰ সামগ্ৰিক উত্তৰণৰ দিশত তেওঁলোকৰ মতামত তথা পৰামৰ্শ গ্ৰহণৰ বাবে লোৱা উদ্যোগৰ শলাগ লয়। বিটিআৰৰ সামগ্ৰিক, শৈক্ষিক তথা সামাজিক-সাংস্কৃতিক উত্তৰণৰ দিশত তেওঁলোকে কিছুসংখ্যক ব্যৱস্থা গ্ৰহণৰ বাবে মুখ্যমন্ত্ৰীক আহ্বান জনায়। মুখ্যমন্ত্ৰী ড° শৰ্মাই তেখেতৰ মন্তব্যত কয় যে বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ ওদালগুৰি চৌহদ অহা শৈক্ষিক বৰ্ষৰ পৰা আৰম্ভ কৰাৰ দিশত চৰকাৰে প্ৰয়াস চলাই আছে। এই ক্ষেত্ৰত যাৱতীয় শিক্ষক তথা কৰ্মচাৰী মকৰলৰ দিশতো চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব। তদুপৰি বিটিআৰত থকা মহাবিদ্যালয়সমূহত খালী হৈ থকা প্ৰৱক্তাৰ পদসমূহ পূৰণৰ বাবে জনোৱা দাবীৰ প্ৰতি সঁহাৰি জনাই মুখ্যমন্ত্ৰীয়ে কয় যে এই পদসমূহ পূৰণৰ বাবে ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব। কোকৰাঝাৰস্থিত কেন্দ্ৰীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ সৈতে আই আই টি গুৱাহাটীক কিছুসংখ্যক বিষয়ৰ দিশত একেলগে কাম কৰাৰ বাবে ৰাজ্য চৰকাৰে প্ৰয়াস চলাব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। অনুষ্ঠানত বিটিআৰৰ

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

অধীনৰ বহু সংখ্যক বনগাঁৰ (ফৰেষ্ট ভিলেজ)ত আই চি ডি এছ, আই চি পি এছৰ দৰে আঁচনিৰ সুবিধা জনসাধাৰণে নোপোৱাৰ দিশটো আঙুলিয়াই দিয়াত মুখ্যমন্ত্ৰী ড° শৰ্মাই বনগাঁওসমূহত অংগনৱাড়ী কেন্দ্ৰ স্থাপনকে ধৰি আই চি ডি এছৰ বিভিন্ন সুবিধা প্ৰদান কৰা বিষয়টোৰ দিশত ৰাজ্য চৰকাৰে পদক্ষেপ ল'ব বুলিও কয়।

আজিৰ এই মত-বিনিময় কাৰ্যসূচীত বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, কেইবাগৰাকীও সদস্য, বড়োলেণ্ড বিশ্ববিদ্যালয়, কেন্দ্ৰীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়কে ধৰি বিটিআৰৰ বিভিন্ন শৈক্ষিক প্ৰতিষ্ঠানৰ মুৰব্বী তথা বুদ্ধিজীৱীসকলে অংশগ্ৰহণ কৰে।

**বঃভাঃ**
**৩০/০৭/২০২১**